সুপ্ৰভাত

আজিৰ দিনটোতে—

- দক্ষিণ ছুডানৰ গণতন্ত্ৰ দিৱস।
- ১৯০৭ত ৰোমাণ্টিক কবি গণেশ গগৈৰ জন্ম।
- ১৯৩২ত ধীৰুভাই আম্বানিৰ জন্ম।
- ১৯৩৭ত ৰতন টাটাৰ জন্ম।
- ১৮৮৫ত ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰতিষ্ঠা।
- ১৯৫২ত ৰাজনীতিবিদ অৰুণ জেটলীৰ জন্ম।

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পেৰে

# নিয়মীয়া বাৰ্তা

সংখ্যা ২৯২ □ বৃহস্পতিবাৰ □ ১১ পুহ ১৯৪৫ শক □ ২৮ ডিচেম্বৰ ২০২৩ চন □ VOL-13 □ NO-292 □ THURSDAY 28 DECEMBER 2023 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-1

Estd-1945
Date
Dibrugarh, Assam

## ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ অনুষ্ঠান

# ড° পীতাম্বৰ দেৱগোস্বামীক হাছান শ্বৰিফ আহমদ সমন্বয় বঁটা

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৭ ডিচেম্বৰ ঃ 'অসমীয়া জাতি এডাল ফুলৰ মালাৰ দৰে। এডাল মালাত বহুৰঙী ফুল থাকে, কিন্তু মালাডালত থকা ফুলৰ ৰঙক গুৰুত্ব নিদি আমি মালাডালকহে গুৰুত্ব দিওঁ।' —ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত প্ৰগতিশীল সাংস্কৃতিক সৈনিক, সমন্বয়ৰ প্ৰতীক, কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক প্ৰয়াত হাছান শ্বৰিফ আহমদৰ নামত প্ৰদান কৰা 'হাছান শ্বৰিফ আহমদ সমন্বয় বঁটা' গ্ৰহণ কৰি শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ, গৱেষক, সমাজ সংস্কাৰক, আউনীআটী বিশ্ববিদ্যালয়ৰ আচাৰ্য শ্ৰীশ্ৰী পীতাম্বৰ দেৱগোস্বামীয়ে এইদৰে কয়। ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনৰ হাতেৰে বঁটাটি গ্ৰহণ কৰি সত্ৰাধিকাৰগৰাকীয়ে কয়— ফুলৰ মালাৰ দৰেই আমাৰ অসমীয়া জাতি। মালাডালত যিদৰে বিভিন্ন ৰঙী ফুল থাকে, ঠিক তেনেদৰে অসমীয়া জাতিও বিভিন্ন জাতি-জনগোষ্ঠীৰ সমাহাৰেৰে গঠিত এটা বৃহৎ জাতি। অসমীয়া জাতি বিভিন্ন জাতি-জনগোষ্ঠীৰ সমাহাৰেৰে গঠিত যদিও আমি সকলোৱে মিলি মাত্ৰ এটা অসমীয়া জাতি। কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ অৰূপ সোণোৱালে আঁত ধৰা অনুষ্ঠানত সত্ৰাধিকাৰ শ্ৰীশ্ৰী ড° পীতাম্বৰ দেৱগোস্বামীয়ে হাছান শ্বৰিফ আহমদৰ সংগীতময় জীৱনৰ কথা উল্লেখ কৰি কয়— পৃথিৱীত এনে কোনো জীৱ নাই, যিয়ে সংগীত বেয়া পায়। সংগীত যিহেতু সকলোৰে প্ৰিয়, সেয়ে সংগীতক পৰম ধৰ্ম বুলি অভিহিত কৰা হয়। এনে এগৰাকী বিশিষ্ট সংগীত শিল্পীৰ নামত তেওঁক এই বঁটা প্ৰদান কৰাৰ বাবে তেওঁ অধ্যক্ষকে প্ৰমুখ্য কৰি ছাত্ৰ একতা সভাৰসমূহৰ বিষয়ববীয়া আৰু কানৈ মহাবিদ্যালয় পৰিয়ালক ধন্যবাদ জ্ঞাপন কৰে। মুখ্য প্ৰৱেশদ্বাৰৰ পৰা গায়ন-বায়ন, এনচিচিৰ কেডেটে আদৰণি জনাই সভাগৃহলৈ আদৰি নিয়া সভাখনত সত্ৰাধিকাৰগৰাকীয়ে কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই এনে এটি বঁটা প্ৰদান কৰি বিৰল উদাহৰণ দাঙি ধৰাৰ বাবে কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাক ধন্যবাদ জ্ঞাপন কৰি কয়—ই সমগ্ৰ অসমৰ বাবে এটা দৃষ্টান্তমূলক উদাহৰণ। সত্ৰাধিকাৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱগোস্বামীৰ বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ হোৱা সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি সাহিত্য একাডেমী বঁটাপ্ৰাপক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি




ড° নগেন শইকীয়াই কয়— সত্ৰাধিকাৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱগোস্বামী জাতীয় জীৱনৰ উদাহ্যতাৰ প্ৰতীক। তেওঁ জাতীয় জীৱনত উদাহ্যৰ বাট কটকটীয়া কৰি থৈ যাব বুলি মত প্ৰকাশ কৰি কয় সত্ৰাধিকাৰ শ্ৰীশ্ৰী ড° পীতাম্বৰ দেৱগোস্বামীয়ে জাতীয় জীৱনৰ সম্পৰ্ক সুদৃঢ় কৰাত দৃঢ় পদক্ষেপ গ্ৰহণ কৰিব। ছাত্ৰী জ্যোতিশিখা কাকতিয়ে বৰগীত পৰিৱেশন কৰা অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱা, উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, অধ্যাপক অভিজিত বৰুৱা, ডিব্ৰুগড় পৌৰসভাৰ পৌৰপতি ডাঃ চৈকত পাত্ৰ, কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সভানেত্ৰী স্বৰ্ণালী মহন্ত, সাধাৰণ সম্পাদক মৃগাংক শাণ্ডিল্য, উপ-সভাপতি দেৱাশিস দুৱৰা, হাছান শ্বৰিফ আহমদৰ পৰিয়ালবৰ্গ উপস্থিত থাকে।